আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, FEBRUARY 03, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩৭ Guwahati, Assam ।। মূল্যঃ এটকা

# ৰজা আহিছে! চাকি জ্বলাইছে...




মোদীৰ আগমনত খানাপাৰাত 'কমল' ৰূপে বন্তি প্ৰজ্বলন

## অসমলৈ প্ৰধানমন্ত্ৰী

### ৰিং-ৰোড, বুলেট ট্ৰেইন, টুইন টাৱাৰ নহয়! মুকলি কৰিব পথ-দলঙৰ আধাৰশিলা

■ বাতৰি ভিতৰৰ পৃষ্ঠাত

## অপেক্ষাৰ অন্ত, আদৱানিলৈ ভাৰত ৰত্ন



■ বাতৰিৰ ভিতৰৰ পৃষ্ঠাত চাওক

# হেলিকপ্টাৰত উঠি মুখ্যমন্ত্ৰী বিয়া খাবলৈ যায়!

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনৰ দিনাই পোহৰলৈ মুখ্যমন্ত্ৰীৰ হেলিকপ্টাৰ প্ৰীতিৰ আন এক অধ্যায়। চৰকাৰী ধন শৰাধ কৰি বিয়া খাবলৈ হেলিকপ্টাৰ ব্যৱহাৰ কৰাৰ লগতে নিজ দলৰ প্ৰচাৰৰ কামতো ব্যৱহাৰ কৰি আহিছে হেলিকপ্টাৰ। এই বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে এতিয়া ৰাজ্যৰ ৰাজনীতিত বলিছে ধুমুহা। বাতৰিক অসত্য বুলি দাবী মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ। কিন্তু আৰটিআই তথ্য আৰু বিধানসভাত দিয়া তথ্যৰ বিসংগতিয়ে সকলো ৰহস্যজনক কৰি তুলিছে। বিতং বাতৰিৰ বাবে ৩ পৃষ্ঠাত চাওক।



# পথ-দলঙৰ আধাৰশিলা স্থাপন কৰিবলৈ অসমত মোদী



## বুলেট ট্ৰেইন, ৰিং-ৰোড, বিজেপিৰ প্ৰস্তাৱিত টুইন টাৱাৰ ক'ত?

**ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ** কেইবাটাও পথ, দলং, ষ্টেডিয়াম, সৌন্দৰ্যবৰ্ধন আঁচনিৰ আধাৰশিলা স্থাপন কৰিবলৈ আজি প্ৰায় ৬ বজাত অসমত পদাৰ্পণ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। বিশেষ বিমান যোগে দিল্লীৰ পৰা গুৱাহাটী বিমান বন্দৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিমান বন্দৰত উষ্ম আদৰণি জনাই অসমৰ ৰাজ্যপাল গোলাপচান্দ কাটাৰীয়া আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। প্ৰধানমন্ত্ৰীক আদৰণি জনাবলৈ ৰাজ্যৰ কেইবাটাও জনজাতিৰ দলে নৃত্য প্ৰদৰ্শন কৰে। নৃত, গীতেৰে আদৰণি জনাই বিভিন্ন সম্প্ৰদায়ৰ লোকে। পথৰ দুয়োকাষে অত্যাধুনিক ৰংচঙীয়া লাট লগোৱা দেখা গৈছে। গুৱাহাটী বিমান বন্দৰৰ পৰা প্ৰধানমন্ত্ৰীয়ে পোনে পোনে খানাপাৰাত উপস্থিত হয়। খানাপাৰাত প্ৰায় ১ লাখ বন্তি প্ৰজ্বলন কৰি বিজেপিৰ নেতা-কৰ্মীয়ে আদৰণি জনায়। ৰাম মন্দিৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছতে নৰেন্দ্ৰ মোদীয়ে প্ৰথমবাৰ অসম ভ্ৰমণ কৰিছে। যাৰ বাবে বিজেপি দলৰ নেতা-কৰ্মীয়ে বিশেষভাবে আদৰণি জনোৱাৰ উদ্দেশ্যে বন্তি প্ৰজ্বলন কাৰ্যসূচী হাতত লয়। কেইবা হাজাৰ বিজেপিৰ সমৰ্থক, নেতা-কৰ্মীয়ে বন্তি প্ৰজ্বলন কৰি নৰেন্দ্ৰ মোদীৰ দীৰ্ঘায়ু, সুস্থ সবল হৈ থকাৰ কামনা কৰে। নৰেন্দ্ৰ মোদীয়ে জালুকবাৰী-খানাপাৰা পথৰ বিপৰীতে মহানগৰৰ ভিতৰেৰে যাত্ৰা কৰে। বিমানবন্দৰৰ পৰা জালুকবাৰী-গুৱাহাটী ক্লাৱ পথেৰে বি-বৰুৱা ৰোডত উপস্থিত হয় মোদীৰ কনভয়। জি.এছ ৰোডত উঠি ভঙাগড়, ছয়মাইল হৈ খানাপাৰাত উপস্থিত হয় প্ৰধানমন্ত্ৰীৰ কনভয়। প্ৰায় এক লাখ বন্তি প্ৰজ্বলন কাৰ্যসূচীত উপস্থিত হৈ অভিভূত হয় প্ৰধানমন্ত্ৰী। এই সময়ছোৱাত গুৱাহাটীত তীব্ৰ যান-জোঁটৰ সৃষ্টি হয়। প্ৰায় দুঘণ্টা সময় যাত্ৰাৰ হাহাকাৰ লাগে পথচাৰীৰ। নৰেন্দ্ৰ মোদীয়ে নিশা কইনাধৰাত কটাব। নিশা কইনাধাৰাৰ ৰাজ্যিক অতিথিশালত বিজেপিৰ ৰাজ্যিক ক'ৰ সমিতিৰে বৈঠক অনুষ্ঠিত কৰিব। এই বৈঠকত অসমৰ ১৪টা লোকসভা সমষ্টিৰ টিকট তথা সহযোগী দলক এৰি দিবলগীয়া সমষ্টিৰ বিষয়ে চৰ্চা হ'ব পাৰে বুলি জানিব পৰা গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভ্ৰমণক লৈ বিজেপিৰ নেতা-কৰ্মীসকল বিশেষভাবে উৎসাহী হৈছে। কিন্তু লোকসভা নিৰ্বাচনক কেন্দ্ৰীক এই ভ্ৰমণক লৈ অসমৰ সাধাৰণ লোক বিশেষ উৎসাহী হোৱা পৰিলক্ষিত হোৱা নাই। প্ৰধানমন্ত্ৰীয়ে যিকেইটা আঁচনিৰ আধাৰিশালা স্থাপন কৰিবলৈ আহিছে উক্ত আঁচনি কেইটা অসমৰ মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিব পাৰিলেহেঁতেন বুলি চৰ্চা চলিছে। প্ৰধানমন্ত্ৰীয়ে গুজৰাটৰ আহিত বুলেট ট্ৰেইন, নাইবা গুৱাহাটী চহৰক সাঙুৰি ৰিং-ৰোড, বিজেপিৰ প্ৰস্তাৱিত টুইন টাৱাৰ, নতুন কোনো বৃহৎ উদ্যোগ আদি আঁচনিৰ আধাৰশিলা কৰিবলৈ আহিব লাগিছিল বুলি বিভিন্নজনে মতামত ব্যক্ত কৰিছে। কিন্তু তেনে কোনো আঁচনিৰ পৰিৱৰ্তে প্ৰধানমন্ত্ৰীয়ে লোকসভা নিৰ্বাচনৰ পূৰ্বে পথ, ৰাস্তাৰ আধাৰশিলাৰ বাবে অসম ভ্ৰমণ কৰাত হতাশ হৈছে সাধাৰণ নাগৰিক। দুদিনীয়া কাৰ্যসূচীৰে অসমত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভ্ৰমণ লোকসভা নিৰ্বাচন কেন্দ্ৰীক বুলি ক'লে বঢ়াই কোৱা নহ'ব। কিয়নো চুবুৰীয়া ৰাজ্য মণিপুৰ জ্বলি আছে যদিও প্ৰধানন্ত্ৰীয়ে আজিলৈ মণিপুৰ ভ্ৰমণ কৰা নাই। আনহাতে অসমৰ ৰাইজে 'কা' নামানো বুলি কৈ আহিছে যদিও চৰকাৰে অসমতো 'কা' কাৰ্যকৰী কৰিবলৈ বিজেপি চৰকাৰ বদ্ধপৰিকৰ। অসমৰ বান-খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ৰূপে ঘোষণা নকৰিলে। ব্ৰহ্মপুত্ৰ খনন কৰা নহ'ল। প্ৰস্তাৱিত টুইন টাৱাৰ আজিলৈ নহ'ল। অসমৰ সমস্যা সমস্যা হৈয়ে থাকিল। শুদ্ধ এনআৰচি নহ'ল। অসম চুক্তিৰ ছয় নং দফা কাৰ্যকৰী কৰা নহ'ল। এনে বহু কাম কাম নৰেন্দ্ৰ মোদীয়ে বিগত ১০ বছৰত নকৰিলে। কিন্তু নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ৰাস্তা আৰু পথৰ আধাৰশিলা স্থাপন কৰিবলৈ অসমলৈ আহিছে নৰেন্দ্ৰ মোদী। মোদীয়ে অসমত থকাৰ সময়ত ১১,৫৯৯ কোটি টকাৰ আঁচনিৰ আধাৰশিলা স্থাপন কৰিব। এই আধাৰশিলাত কামাখ্যা কৰিডৰো আছে। ৪ ফেব্ৰুৱাৰীৰ ১১.৩০ বজাত খানাপাৰাৰ খেলপথাৰত ৰাজহুৱা সভা সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুঠ ১১,৫৯৯ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪৯৮ কোটি টকাৰ মা কামাখ্যা দিব্যলোক পৰিযোজনা, ৩৫৮ কোটি টকাৰ বিমান বন্দৰ সংযোগী পথ, ৩,৪৪৪ কোটি টকাৰ ৩৮ খন দলং আৰু ৪৩টা পথ, ৮৩১ কোটি টকাৰে নেহেৰু ষ্টেডিয়ামক উন্নীকৰণ, ৩০০ কোটি টকাৰে চন্দ্ৰপুৰ ষ্টেডিয়াম, ৩,২৫০ কোটি টকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন, ৫৭৮ কোটি টকাৰে কৰিমগঞ্জ চিকিৎসা মহাবিদ্যালয় আৰু ২৯৭ কোটি টকাৰে ইউনিটি মল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। লগতে ১,৪৫১ কোটি টকাৰ বিশ্বনাথ চাৰিআলি-গহপুৰ সংযোগী পথ আৰু দলীবাৰী-জামুগুৰি পথ চাৰিলেনযুক্ত পথৰ আধাৰশিলা স্থাপন কৰিব প্ৰধানমন্ত্ৰীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হেলিকপ্টাৰত উঠি মুখ্যমন্ত্ৰী

**ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ** আকাশতে থাকে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। আকাশত উৰি থাকিলেও মুখ্যমন্ত্ৰীৰ হাতৰ পৰা বা দলৰ একাউন্টাৰ ধন খৰছ নহয়। ধন আদায় দি আহিছে ৰাজ্য চৰকাৰে। ৰাইজে ৰাজকোষত জমা দিয়া টকা ভ্ৰমণ বিলাসত খৰছ কৰিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। ব্যক্তিগত কামতো মুখ্যমন্ত্ৰীয়ে ৰাজকোষৰ ধন শৰাধ কৰাৰ ভয়ংকৰ তথ্য পোহৰলৈ অহাত ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য জনাৰ অধিকাৰ আইনৰ অধিনত দাখিল কৰা এক আৱেদনৰ তথ্যই এই কথা পোহৰলৈ আনিছে। 'দ্য ৱায়াৰ' নামৰ ৰাষ্ট্ৰীয় সংবাদ প্ৰতিষ্ঠানটোৱে এক প্ৰতিবেদনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আকাশীযাত্ৰাৰ নামত কোটি কোটি টকা চলাধ কৰাৰ তথ্য প্ৰকাশ কৰিছে। এই তথ্য প্ৰকাশৰ পাছতে ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য অনুসৰি বিলাসী হেলিকপ্টাৰ লৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ লগতে বহিঃৰাজ্যত বিয়া খাবলৈ গৈছে। সেই বিমানৰ ভাড়া বহন কৰিছে ৰাজ্য চৰকাৰে। মুখ্যমন্ত্ৰীয়ে দলৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰিবলৈ গৈছে। সেই বিমানৰ ভাড়াও ৰাজ্য চৰকাৰে বহন কৰিছে। বিগত দুটা বছৰৰ কাৰ্যকালত ড০ হিমন্ত বিশ্ব শৰ্মাই ২৪০ দিনেই হেলিকপ্টাৰ ব্যৱহাৰ কৰাৰো তথ্য প্ৰকাশ পাইছে।। চাৰ্টাৰ্ড বিমান বা হেলিকপ্টাৰৰ নামত ঘণ্টাত মুখ্যমন্ত্ৰীগৰাকীয়ে ব্যয় কৰিছে গড়ে ২ লাখ ২৫ হাজাৰ টকাৰ পৰা ৪ লাখ ৩০ হাজাৰকৈ টকা। গুৱাহাটীৰ পৰা মাত্ৰ ৩০ কিলোমিটাৰ নিলগৰক্ষেত্ৰীত হেলিকপ্টাৰ লৈ বিয়া খাবলৈ গৈছে মুখ্যমন্ত্ৰীয়ে। একোখন বিয়াত উপস্থিত থকাৰ নামত মুখ্যমন্ত্ৰীগৰাকীয়ে ২৩ লাখ টকা পৰ্যন্ত ব্যয় কৰিছে। ২০২১ চনৰ ১০ মে'ৰ পৰা ২০২৩ চনৰ ৩০ মে'লৈ মুখ্যমন্ত্ৰী-মন্ত্ৰী আৰু উচ্চপদস্থ বিষয়াই হেলিকপ্টাৰ আৰু চাৰ্টাৰ্ড বিমানৰ যাত্ৰাৰ নামত অসম চৰকাৰৰ মুঠ ব্যয় হৈছে ৪৫ কোটি ৬২ লাখ ৫ হাজাৰ ৭৫৫ টকা ব্যয় কৰিছে। বেছি হেলিকপ্টাৰ আৰু চাৰ্টাৰ্ড বিমান ব্যৱহাৰ কৰিছে খোদ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগ তথ্য মতে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় নিৰ্বাচন আয়োগৰ আচৰণ বিধি উলংঘা কৰি নিৰ্বাচনী প্ৰচাৰ চলাই চৰকাৰী ধনেৰে হেলিকপ্টাৰ ব্যৱহাৰ কৰিছে। নিৰ্বাচনী আচৰণবিধিৰ কাৰ্যকৰী হৈ থাকিলে চৰকাৰী ব্যক্তিক নিৰ্বাচনী কামত ব্যৱহাৰ কৰিব নোৱাৰাৰ কঠোৰ নিয়ম আছে। নিৰ্বাচনী আচৰণ বিধিৰ ৭(খ) দফা অনুসৰি চৰকাৰী আকাশীযান, বাহন, চৰকাৰী ব্যক্তি আৰু ব্যৱস্থাক শাসকীয় দলৰ কাম কাজত ব্যৱহাৰ কৰিব নোৱাৰে। কিন্তু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অতিকমেও পাঁচবাৰ চৰকাৰী ধন ব্যয় কৰি হেলিকপ্টাৰ লৈ বিজেপি আৰু বিজেপি সমৰ্থিত প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। ২০২১ চনৰ ১৭ অক্টোবৰত গুৱাহাটীৰ পৰা তামুলপুৰ আৰু তামুলপুৰৰ পৰা পুনৰ গুৱাহাটীলৈ হেলিকপ্টাৰেৰে ভ্ৰমণ কৰিছিল মুখ্যমন্ত্ৰীয়ে। তামুলপুৰৰ মতংগাত তামুলপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি সমৰ্থিত ইউপিপিএলৰ প্ৰাৰ্থী জলেন দৈমাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছিল। ২০২১ চনৰ ১৮ অক্টোবৰত মুখ্যমন্ত্ৰীয়ে পুনৰ হেলিকপ্তাৰেৰে গুৱাহাটীৰ পৰা গোসাইগাঁৱলৈ গৈ, পুনৰ গুৱাহাটীলৈ ঘূৰি আহে। সেইদিনা মুখ্যমন্ত্ৰীয়ে প্ৰয়াত আদিবাসী নেতা জাষ্টিন লাক্ৰাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু কাতি বিহু উদযাপনত অংশগ্ৰহণ কৰিছিল। ২০২১ চনৰ ১৯ অক্টোবৰত মুখ্যমন্ত্ৰীয়ে পুনৰ হেলিকপ্টাৰ যোগে গোসাইগাঁৱলৈ গৈছিল। গোসাইগাঁও সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি সমৰ্থিত ইউপিপিএলৰ প্ৰাৰ্থী জিৱণ বসুমতাৰীৰ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিছিল। এই কথা খোদ ফেচবুকত ফটো শ্বেয়াৰ কৰি প্ৰকাশ কৰিছিল মুখ্যমন্ত্ৰীয়ে। ২০২১ চনৰে ৩০ অক্টোবৰত তামুলপুৰ আৰু গোসাইগাঁৰৰ লগতে থাওৰা, মৰিয়নি আৰু ভৱানীপুৰ বিধানসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হৈছিল। তিনিওটা সমষ্টিতে হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী প্ৰচাৰ চলাইছিল। কিন্তু হেলিকপ্টাৰৰ ধন কোনে বহন কৰিছিল সেয়া এতিয়াও সন্দেহৰ আৱৰ্তত। কিয়নো সাধাৰণ প্ৰশাসন বিভাগে এতিয়াও সম্পূৰ্ণ তথ্য প্ৰদান কৰা নাই। ২০২২ চনৰ ৭ মাৰ্চত অনুষ্ঠিত হৈছিল মাজুলী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন। ১৬ ফেব্ৰুৱাৰীত বিজেপি প্ৰাৰ্থী ভুবন গামে দাখিল কৰিছিল মনোনয়ন। মনোনয়ন দাখিলত উপস্থিত থাকি হিমন্ত বিশ্ব শৰ্মাই ৰেলীতো অংশগ্ৰহণ কৰিছিল। মাজুলীলৈ হিমন্ত বিশ্ব শৰ্মাৰ হেলিকপ্টাৰ ভাড়া ব্যয় কৰিছিল ৰাজ্য চৰকাৰে। চৰকাৰী ধনেৰে হেলিকপ্টাৰ লৈ ৰাজ্যৰ বাহিৰতো নিৰ্বাচনী প্ৰচাৰ চলাইছে মুখ্যমন্ত্ৰীয়ে। ২০২২ চনৰ ২০ নৱেম্বৰত চাৰ্টাৰ্ড বিমানত গৈ নৱেম্বৰত দিল্লী পৌৰ নিগমৰ নিৰ্বাচনত প্ৰচাৰ চলাইছে। গ'ৱাত বিজেপিৰ বিজয় সংকল্প সমাৰোহত অংশগ্ৰহণ কৰিছিল। ২০২৩ চনৰ ৩০ জানুৱাৰীত ত্ৰিপুৰা বিধানসভা নিৰ্বাচনত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড০ মানিক সাহাৰ মনোনয়ন দাখিলত চৰকাৰী ধনেৰে চাৰ্টাড বিমান ব্যৱহাৰ কৰিছিল মুখ্যমন্ত্ৰীয়ে। কৰ্ণাটক, তেলেংগানা, ছত্তীশগড়, মধ্যপ্ৰদেশ আৰু ৰাজস্থানৰ নিৰ্বাচনী প্ৰচাৰত মুখ্যমন্ত্ৰীয় সক্ৰিয় আছিল। ৰাজ্যসমূহলৈও চাৰ্টাৰ্ড বিমান যোগে গৈছিল। বিমানযাত্ৰাৰ ব্যয় কোনে বহন কৰিছিল, সেয়া এতিয়াও ৰহস্যৰ আৱৰ্তত। কেৱল নিৰ্বাচনী প্ৰচাৰেই নহয়, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী ধন ব্যয় কৰি হেলিকপ্টাৰ লৈ বিয়া খাবলৈও যোৱা তথ্যও পোহৰলৈ আহিছে। আৰ.টি.আই তথ্য অনুসৰি মুখ্যমন্ত্ৰীয়ে অতি কমেও ৫বাৰ বিয়া খাবলৈ গৈছে। বিয়া খাবলৈ যোৱা বিমানৰ খৰছ চৰকাৰে ব্যয় কৰিছে। ২০২২ চনৰ ২০ জানুৱাৰীত ডিমৰীয়াত বিজেপি বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ কন্যাৰ বিয়া খাবলৈ হেলিকপ্টাৰ লৈ গৈছিল। ২০২২ৰ ২৪ জানুৱাৰীত হেলিকপ্টাৰেৰে গৈ প্ৰাক্তন এবছু নেতা মনেশ্বৰ দৈমাৰীৰ বিয়ালৈ গৈছিল মুখ্যমন্ত্ৰীয়ে। ২০২২ চনৰে ১১ নৱেম্বৰত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ'ৰ কন্যাৰ বিয়াৰ বাবেও ডিমাপুৰলৈ গৈছিল মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীৰ এই বিমান যাত্ৰাৰ ব্যয় আছিল ১৪ লাখ ৮ হাজাৰ ৫৬২ টকা। ২০২৩ চনৰ ১ ফেব্ৰুৱাৰীত কলিয়াবৰত মন্ত্ৰী কেশৱ মহন্তৰ ভাতৃ মণিমাধৱ মহন্তৰ বিয়ালৈ গৈছিল। ২০২৩ চনৰ ৩১ জানুৱাৰীত লক্ষ্ণৌত অনুষ্ঠিত হৈছিল উত্তৰ প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠকৰ কন্যাৰ বিয়া। এই বিয়াখনলৈ যাবলৈ চাৰ্টাৰ্ড বিমানত গৈছিল মুখ্যমন্ত্ৰীয়ে। বিমান যাত্ৰাৰ ব্যয় আছিল ২৩,৪৩,৭৫০ টকা। ২০২২ চনৰ ২০ জানুৱাৰীত মুখ্যমন্ত্ৰীয়ে চৰকাৰী কামত গুৱাহাটীৰ পৰা হাফলঙলৈ চাৰ্টাৰ্ড বিমানত গৈ গুৱাহাটীলৈ উভতিঅহাৰ পৰিৱৰ্তে ডিমৰীয়াত সহকৰ্মীৰ কন্যাৰ বিয়াৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। হেলিকপ্টাৰৰ ভাড়া প্ৰতিঘণ্টা অনুসৰি দিবলগীয়া হৈছিল চৰকাৰে। মুখ্যমন্ত্ৰীয়ে দলীয় কাম-কাজতো চৰকাৰী বিমান ব্যৱহাৰ কৰিছে। ২০২১ চনৰ ২২ ছেপ্তেম্বৰৰ পৰা ২০২৩ চনৰ ২৪ জানুৱাৰীলৈ মুখ্যমন্ত্ৰীয়ে কমেও ৭ বাৰ দলীয় কাম-কাজত চৰকাৰী বিমান ব্যৱহাৰ কৰিছে। ২০২১ চনৰ ২২ ছেপ্তেম্বৰত আমিনগাঁৱত অনুষ্ঠিত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা। ২৫ নৱেম্বৰত বঙাইগাঁৱত অনুষ্ঠিত ৰাজ্যিক কাৰ্যনিৰ্বাহ সভা। ২০২১ চনৰ ১০ ডিচেম্বৰত মৰিগাঁৱত বিজেপিৰ যুৱ-মৰ্চাৰ শ্বহীদ দিৱস। ২০২২ চনৰ ৯ জানুৱাৰীত তেলেংগানাত বিজেপিৰ কাৰ্যসূচী। ২০২২ চনৰ ৫ ফেব্ৰুৱাৰীত গোলাঘাটত অনুষ্ঠিত দলীয় কাৰ্যসূচী। ২০২৩ চনৰ ৯ জানুৱাৰীত ত্ৰিপুৰাৰ আগৰতলা যাত্ৰা। ২৪ জানুৱাৰীত মৰিগাঁৱত অনুষ্ঠিত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা। এই সকলোবোৰ দলীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে চৰকাৰে খৰছ কৰা বিমান ব্যৱহাৰ কৰিছিল। অসম চৰকাৰে বিধানসভাত দাখিল কৰা আৰ.টি.আই তথ্যৰ মাজত ব্যাপক তফাৎ পৰিলক্ষিত হৈছে। অক্টোবৰ মাহত বিধানসভাত দাখিল কৰা তথ্য অনুসৰি ২০২২-২৩ বিত্তীয় বৰ্ষত হেলিকপ্টাৰ আৰু চাৰ্টাৰ্ড বিমানৰ নামত অসম চৰকাৰে ব্যয় কৰিছে ৩৪,১৩,৪২,৩০৩ টকা। এয়া কেৱল চৰকাৰী কামত ব্যয় হোৱা তথ্যহে বুলি কোৱা হৈছে। ২০২২-২৩ বৰ্ষত ১৯,৭৪,৬২,৬৫৯ টকা ব্যয় হোৱাহে দেখুওৱা হৈছে। অৰ্থাৎ বিধানসভাত দাখিল কৰা তথ্য আৰু আৰ.টি.আই তথ্যৰ মাজত ১৪,৩৮,৭৯,৬৪৪ টকাৰ ব্যৱধান দেখা গৈছে। সাধাৰণ প্ৰশাসন বিভাগে আৰ.টি.আই আবেদনৰ উত্তৰত আধৰুৱা তথ্য প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে চৰকাৰী বিমান-হেলিকপ্টাৰ নিৰ্বাচনী প্ৰচাৰ, দলীয় সভা আনকি বিয়া সবাহ খোৱাৰ কামতো ব্যৱহাৰ কৰা দেখা গৈছে। সম্পূৰ্ণ তথ্য পোহৰলৈ আহিলে ব্যাপক হাৰত চৰকাৰী ধন খৰছ কৰাৰ উদাহৰণ পোহৰলৈ অহাটো নিশ্চিত। ২০২১ চনৰ ১০ মে'ৰ পৰা ২০২৩ চনৰ ৩০ মে' পৰ্যন্ত হেলিকপ্টাৰ আৰু চাৰ্টাৰ্ডৰ ভাড়াৰ নামত ৰাজ্য চৰকাৰে ব্যয় কৰিছে মুঠ ৪৫,৬২,০৫,৭৫৫ টকা। অধিকাংশ ধনেই ব্যয় হৈছে মুখ্যমন্ত্ৰীৰ বিমানযাত্ৰাত। ২০২১ চনৰ ২০ মে'ৰ পৰা ২০২১ চনৰ ১৮ জুলাই পৰ্যন্ত চৰকাৰে চাৰ্টাৰ্ডৰ নামত ব্যয় কৰিছে মুঠ ৪,৪৬,০৯,৮৩৬ টকা। ইয়াৰে ৩,৩০,০৩,৮৩৪ টকাই ব্যয় হৈছে মুখ্যমন্ত্ৰীৰ চাৰ্টাৰ্ডৰ নামত। সাধাৰণ প্ৰশাসন বিভাগে প্ৰতিটো যাত্ৰাৰ বিপৰীতে সুকীয়াকৈ তথ্য প্ৰদান কৰা নাই। তথ্যৰ বিশ্লেষণৰ পৰা ওলাই পৰে যে দুটা বছৰত মুখ্যমন্ত্ৰীয়ে ২৪০ দিনেই আকাশীযাত্ৰা কৰিছে। আকাশীযাত্ৰাৰ নামত ব্যয় হোৱা ধনৰাশি আৰু যাত্ৰাৰ দূৰত্বৰ অধ্যয়ন কৰিলে দেখা যায় যে সাধাৰণভাৱে একোখন হেলিকপ্টাৰ বা বিমান ব্যক্তিগত সংস্থাৰ পৰা ভাড়া কৰিলে প্ৰতিঘণ্টাত ব্যয় হয় ২,২৫,০০০ টকাৰ পৰা ৪,১৫,০০০ টকালৈ।

# ওভতাই দিলে কাঢ়ি লোৱা সন্মান! আদৱানিলৈ 'ভাৰত ৰত্ন’

**নতুন দিল্লী, ৩ ফেব্ৰুৱাৰীঃ** ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ সময়ত নৰেন্দ্ৰ মোদীৰ বিপৰীতে তেওঁৱো আছিল প্ৰধানমন্ত্ৰী পদৰ দাবীদাৰ। কিন্তু পিছত যেন তেওঁ লাহে লাহে হেৰাই গৈছিল সক্ৰিয় ৰাজনীতিৰ পৰা। অভিযোগ উঠিছিল- মোদীৰ নেতৃত্বৰ নতুন বিজেপিয়ে এলাগী কৰিছে তেওঁক। একালৰ নাম-যশ আৰু সবল নেতৃত্বৰ ঠাইত পৰৱৰ্তী সময়ত তেওঁ হৈ পৰিছিল দলৰ পৰা বিচ্ছিন্ন নেতা। এসময়ৰ বিজেপিৰ গুৰি ধৰোঁতা আৰু যাৰ বাবেই আজি অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণ সম্ভৱ হৈ উঠিল তেঁৱেই হৈছে লালকৃষ্ণ আদৱানী। সক্ৰিয় ৰাজনীতিৰ পৰা কেতিয়াবাই বিচ্ছিন্ন হৈ পৰা আদৱানীক এতিয়া ভাৰত ৰত্নৰে সন্মানিত কৰিব মোদী চৰকাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খোদ এক্স হেণ্ডেলযোগে দেশবাসীক জনাইছে এই খবৰ। ভাৰতীয় জনতা পাৰ্টীৰ স্তম্ভস্বৰূপ প্ৰবীণ ৰাজনীতিবিদগৰাকীক ভাৰত ৰত্ন প্ৰদানৰ খবৰে উল্লাসিত কৰিছে তেওঁৰ সমৰ্থকসকলকো। প্ৰধানমন্ত্ৰী মোদীয়ে আদৱানীক ভাৰত ৰত্ন প্ৰদানৰ খবৰ সামাজিক মাধ্যমযোগে জনাই লিখিছে, "লাল কৃষ্ণ আদৱানী জীক ভাৰত ৰত্নৰে সন্মানিত কৰা হ'ব বুলি জনাবলৈ পাই মই অতি আনন্দিত হৈছো। মই তেওঁৰ সৈতে কথা পাতিছো আৰু এই সন্মানেৰে সন্মানিত হোৱাৰ বাবে তেওঁক অভিনন্দন জনালোঁ।" মোদীয়ে আকৌ লিখিছে, “আমাৰ সময়ৰ অন্যতম সন্মানীয় নেতা আদৱানীজীৰ ভাৰতৰ উন্নয়নত অৱদান অবিস্মৰণীয়। তেওঁৰ যাত্ৰাই তৃণমূল পৰ্যায়ত কাম কৰাৰ পৰা উপ-প্ৰধানমন্ত্ৰী হিচাপে দেশৰ সেৱা কৰালৈকে এক দীঘলীয়া বাট অতিক্ৰম কৰিছে। তেওঁ গৃহমন্ত্ৰী আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী হিচাপেও নিজৰ নাম উজলাই তুলিছে। তেওঁৰ সংসদীয় যাত্ৰা আছিল আদৰ্শগত আৰু চহকী দৃষ্টিভংগীৰে ভৰা।" প্ৰধানমন্ত্ৰীয়ে কয়, "তেওঁক ভাৰতৰত্ন বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত মোৰ বাবে অতি আৱেগিক মুহূৰ্ত। তেওঁৰ সৈতে কাম কৰাৰ আৰু তেওঁৰ পৰা শিকাৰ মই বহু সুযোগ লাভ কৰিছিলোঁ।" ইফালে ভাৰত ৰত্নৰে সন্মানিত কৰাৰ খবৰ লাভ কৰাৰ পিছতে লাল কৃষ্ণ আদৱানীয়ে কয়, "মই ভাৰত ৰত্ন বঁটা সম্পূৰ্ণ বিনম্ৰতা আৰু কৃতজ্ঞতাৰে গ্ৰহণ কৰিছোঁ। এয়া কেৱল মোৰ বাবে এজন ব্যক্তি হিচাপে সন্মান নহয়, বৰঞ্চ মোৰ সামৰ্থ্য অনুসৰি জীয়াই থকা আদৰ্শ আৰু নীতিৰ বাবেও এক সন্মান। মই সেৱা কৰিবলৈ অনুপ্ৰাণিত হৈছো।"

# বিৰোধীক অসমৰ মুখ্যমন্ত্ৰীয়ে দিব নোখোজে সন্মান, বৰাকত ভূপেন বৰা

**ই-সংবাদ, শিলচৰ, ৩ ফেব্ৰুৱাৰীঃ** আজি বৰাক উপত্যকাৰ শিলচৰত সকলো নেতাক সতৰ্ক কৰিলে ভূপেন বৰাই৷ যিমান ডাঙৰ নেতা নহ’লেও নিজ বুথত জিকিব নোৱাৰিলে তাৰ দায়িত্ব সেই নেতাজনে ল’ব লাগিব বুলি স্পষ্ট কৰে ভূপেন বৰাই৷ লোকসভা নিৰ্বাচনৰ পূৰ্বে এদিনীয়া কাৰ্যসূচীৰে বৰাক উপত্যকা ভ্ৰমণ কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। কাছাৰ জিলাৰ শিলচৰ বিমান বন্দৰত পুৱাই উপস্থিত হোৱাত দলীয় নেতা-কৰ্মীয়ে বৰাক উষ্ম আদৰণি জনায়৷ শিলচৰ ৰাজীৱ ভৱনত জিলা কংগ্ৰেছ, মহিলা কংগ্ৰেছ, যুৱ কংগ্ৰেছ, এন.এছ.ইউ.আইৰ লগতে বিভিন্ন কোষৰ নেতা-কৰ্মীৰে পৃথকে পৃথকে বৈঠকত মিলিত হৈ ভূপেন বৰাই৷ এই বৈঠকসমূহত আগন্তুক নিৰ্বাচনত সৰ্বশক্তিৰে যুঁজ দিয়াৰ আহ্বান জনাই নেতা-কৰ্মীক৷ তাৰ লগতে কয় যে যিমান ডাঙৰ নেতা নহ’লেও নিজৰ বুথ শক্তিশালী কৰিব লাগিব৷ যিমান ডাঙৰ নেতা নহ’লেও নিজৰ বুথত কিমান ভোট পাই তাক চোৱা হ’ব৷ নিজ নিজ ভোট কেন্দ্ৰত কেনেকৈ জিকিব, সেই দায়িত্ব নেতাসকলৰ বুলি উল্লেখ কৰি ভূপেন বৰাই কয় যে যিমান ডাঙৰ পদবী সিমানে বুথ পৰ্যায়ত দায়িত্ব বেছি হ’ব৷ বিধায়ক, বুথ সভাপতিৰ অজুহাত দি কোনো নেতাই দায় সাৰিব নোৱাৰিব৷ যদি নিজৰ ভোট কেন্দ্ৰত নিজিকে তেন্তে তাৰ দায়িত্ব তাৰ নেতাজনে ল’ব লাগিব৷ ইপিনে মুখ্যমন্ত্ৰীক আক্ৰমণ কৰি ভূপেন বৰাই অসমৰ মুখ্যমন্ত্ৰীগৰাকী ক্ষমতাৰ বলত বলিয়ান বুলি কয়৷ বৰাই কয় ‘মুখ্যমন্ত্ৰীয়ে একনায়কত্ববাদী চৰিত্ৰ, গণতন্ত্ৰ বিৰোধ চৰিত্ৰ ধাৰণ কৰিছে৷ গণতন্ত্ৰত বিৰোধীৰ যি সন্মান সেই সন্মান অসমৰ মুখ্যমন্ত্ৰীয়ে দিব নোখোজে৷ বিৰোধীক ভয়, ভাবুকি আৰু প্ৰলোভন দি নাশ কৰিব বিচাৰিছে৷ বিৰোধীৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি কণ্ঠ ৰোধ কৰিব খোজে৷’ শিলচৰৰ পাছতে কৰিমগঞ্জ, হাইলাকান্দিত বিভিন্ন নেতা-কৰ্মীৰে বৈঠক কৰে বৰাই৷ দলীয় নেতা-কৰ্মীৰ সৈতে লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিক লৈ আলোচনা কৰে আৰু আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলৰ প্ৰস্তুতি চূড়ান্ত পৰ্যায়ত বুলি দাবী কৰে৷ বিজেপি চৰকাৰে জনসাধাৰণৰ বাবে কি কৰিছে বুলিও প্ৰশ্ন কৰে৷ আনহাতে ইউডিএফক আক্ৰমণ কৰি ভূপেন বৰাই কয় যে কংগ্ৰেছৰ শত্ৰু ইউডিএফ, আৰএছএছ আৰু বিজেপি৷ ছিদ্দিক আহমেদক দললৈ ঘূৰাই অনা হ’বনে বুলি প্ৰশ্ন কৰাত ভূপেন বৰাই কয় যে ছিদ্দিক আহমেদক ভুল শিকোৱা হৈছে৷ যদ আবেদন জমা দিয়ে তেতিয়া বিচাৰ কৰা হ’ব৷

# দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ মণিপুৰৰ মুখ্যমন্ত্ৰীৰ

**নতুন দিল্লী, ৩ ফেব্ৰুৱাৰীঃ** হিংসা জৰ্জৰিত মণিপুৰত নিতৌ নিৰীহৰ প্ৰাণ গৈছে৷ নিতৌ গুলী ফুটিছে৷ শান্তি বিঘ্নিত হৈছে আৰু আইন-শৃংখলা নিয়ন্ত্ৰণত বিফল হৈছে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ৷ তাৰ মাজতে দিশহাৰা মণিপুৰৰ মুখ্যমন্ত্ৰী এন. বিৰেণ সিঙে দিল্লী ভ্ৰমণ কৰি গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰিছে৷ নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি মণিপুৰৰ শেহতীয়া পৰিস্থিতিৰ কথা অৱগত কৰি ৰাজ্যখনৰ আইন-শৃংখলাক লৈ আলোচনা কৰা বুলি জানিব পৰা গৈছে৷ এই ক্ষেত্ৰত গৃহমন্ত্ৰী শ্বাহে গুৰুত্ব প্ৰদান কৰি সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়া বুলি জানিব পৰা গৈছে৷ বিৰেণ সিঙে এক্সত ফটো শ্বেয়াৰ কৰি কয় ‘ৰাজ্যৰ সৰ্বাধিক গুৰুত্বপূৰ্ণ বিষয়বোৰ আলোচনা কৰো৷ ভাৰত চৰকাৰে মণিপুৰৰ জনগণৰ স্বাৰ্থত গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল’বলৈ প্ৰস্তুত।’



# হাজোৰ চকমা চৰণীয়া পথাৰ বেদখল মুক্ত কৰাৰ দাবী

**ই-সংবাদ, শুৱালকুছি ৩ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সানাপাৰা চকমাস্থিত প্ৰায় ৩০০ বিঘাৰ গো-চৰণীয়া পথাৰ সংৰক্ষণৰ দাবী উত্থাপন কৰিছে স্থানীয় দল-সংগঠনে৷ শীঘ্ৰে উচ্ছেদ অভিযান চলাই ৩০০ বিঘা ভূমি মুক্ত কৰিবলৈ আহ্বান জনাইছে স্থানীয় দল-সংগঠন তথা সচেতন ৰাইজে৷ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সানাপাৰা চকমা সংৰক্ষিত গো-চৰণীয়া পথাৰ বছৰ বছৰ ধৰি ৰাইজৰ তৎপৰতাত সংৰক্ষিত হৈ আহিছে৷ কিন্তু কিছু বছৰৰ পৰা একাংশ দুষ্ট চক্ৰই গো ৰিজাৰ্ভ খন বেদখল কৰা বুলি স্থানীয় একাংশ সচেতন ৰাইজ তথা দল-সংগঠনে অভিযোগ উত্থাপন কৰিছে৷ গো-চৰণীয়া পথাৰৰ মাজেৰে জধেমধে নতুনকৈ স্থাপন কৰা টি.আৰ.বি নামৰ ইটা ভাটালৈ যোৱা পথ নিৰ্মাণ কৰি সংৰক্ষিত পথাৰখন অনিষ্ট সাধন কৰিছে৷ যাৰ ফলত গো-পালকসকলৰ পশু ধনৰ খাদ্য নাটনি হোৱাত গোপালকসকল যথেষ্ট সমস্যাৰ সন্মুখীন হ’ব লগা হৈছে৷ অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰি গো-ৰিজাৰ্ভখন সংৰক্ষণ কৰি ৰাখিবলৈ কামৰূপ জিলা আয়ুক্ত তথা চৰকাৰলৈ আহ্বান জনাইছে স্থানীয় বিভিন্ন দল-সংগঠনে৷

# হঠাৎ পদত্যাগ পঞ্জাৱৰ ৰাজ্যপালৰ, দেশজুৰি চৰ্চা

**চণ্ডীগড়, ৩ ফেব্ৰুৱাৰীঃ** আপ চৰকাৰ আৰু ৰাজ্যপালৰ তীব্ৰ সংঘাতৰ মাজতে পঞ্জাৱৰ ৰাজ্যপাল আৰু চণ্ডিগড়ৰ প্ৰশাসক বনোৱাৰীলাল পুৰোহিতে আজি ৰাজ্যপাল পদৰ পৰা পদত্যাগ কৰিছে৷ ব্যক্তিগত কাৰণত পদত্যাগ কৰা বুলি উল্লেখ কৰিছে বনোৱাৰীলাল পুৰোহিতে৷ পুৰোহিতে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক পদত্যাগ পত্ৰ প্ৰদান কৰিছে। দিল্লীত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক সাক্ষাতৰ এদিন পাছতে পদত্যাগ কৰে পুৰোহিতে৷ পুৰোহিতে ৰাষ্ট্ৰপতিলৈ লিখা পত্ৰত কয় যে মোৰ ব্যক্তিগত কাৰণ আৰু আন কিছু প্ৰতিশ্ৰুতি অনুসৰি মই পঞ্জাৱৰ ৰাজ্যপাল আৰু চণ্ডিগড় কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসকৰ কাৰ্যালয়ৰ পৰা পদত্যাগ পত্ৰ প্ৰদান কৰিছো। অনুগ্ৰহ গ্ৰহণ কৰক। যোৱা বছৰৰ আগষ্ট মাহত বনোৱাৰীলাল পুৰোহিতে পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱান্ত মানক এখন পত্ৰ প্ৰেৰণ কৰিছিল৷ পত্ৰ যোগে পঞ্জাৱৰ মুখ্যমন্ত্ৰীক সতৰ্ক কৰি দিছিল যে যদি পত্ৰৰ উত্তৰ দিয়া নহয়, তেন্তে তেওঁ ৰাজ্যত ৰাষ্ট্ৰপতি শাসন কাৰ্যকৰী কৰিবলৈ পৰামৰ্শ দিব আৰু অপৰাধমূলক প্ৰক্ৰিয়া আৰম্ভ কৰিব। মুখ্যমন্ত্ৰী মানৰ সৈতে তাৰ পূৰ্বৰে পৰা বিভিন্ন বিষয়ক লৈ মতানৈক্য হৈছিল পুৰোহিতৰ৷ পুৰোহিতে আগৰ পত্ৰবোৰৰ কোনো উত্তৰ পোৱা নাই বুলি সতৰ্ক কৰি ৰাষ্ট্ৰপতিলৈ সাংবিধানিক যন্ত্ৰৰ বিফলতা সম্পৰ্কে প্ৰতিবেদন প্ৰেৰণ কৰিব পাৰে বুলি কৈছিল৷ পত্ৰখনৰ উত্তৰ দি মুখ্যমন্ত্ৰী ভগৱান্ত মানে কৈছিল যে ৰাজ্যপালে ৰাজ্যখনত শান্তিপ্ৰেমী লোকসকলক ভাবুকি দিছে৷ ৰাজ্যখনত আইন-শৃংখলা সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণত আছে। বানোৱাৰীলাল পুৰোহিতে শুকুৰবাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰিছিল। চণ্ডিগড়ৰ মেয়ৰ নিৰ্বাচনত বিজেপিৰ বিজয়ৰ পাছতে শ্বাহক সাক্ষাৎ কৰিছিল। কংগ্ৰেছ-আম আদমী পাৰ্টি মিত্ৰজোঁটৰ বিফলতাৰ সন্মুখীন হৈছিল৷ কংগ্ৰেছ-আম আদমী পাৰ্টিয়ে প্ৰিজাইডিং বিষয়াজনৰ বিৰুদ্ধে বেলট পেপাৰত খেলিমেলি কৰাৰ অভিযোগ উত্থাপন কৰিছিল।

# এদিনতে দুটাকৈ মৃতদেহ উদ্ধাৰক লৈ কোকৰাঝাৰত চাঞ্চল্য

**ই-সংবাদ, কোকৰাঝাৰ, ৩ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ সীমান্তবৰ্তী দীপলাই বিলৰ কাষত দুটা মৃতদেহ উদ্ধাৰক লৈ জিলাখনত তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে। পৃথকে পৃথকে দীপলাই বিলৰ কাষত উদ্ধাৰ হোৱা মৃতদেহ দুটা হ'ল বালাঘাটৰ প্ৰদীপ কুমাৰ বসুমতাৰী (৫০) আৰু আনটো হ'ল ধুবুৰী জিলাৰ বিলাসীপাৰা থানাৰ অন্তৰ্গত কাজাইকাটা তৃতীয় খণ্ডৰ  মহম্মদ বাদশ্বাহ শ্বেখ (৬০)। কোকৰাঝাৰ জিলাৰ  অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) পৃথ্বীৰাজ ৰাজখোৱাৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে ইতিমধ্যে ঘটনাস্থলীত ৰাওনা হৈছে আৰু মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তোৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। গোটেই ঘটনাটো সম্প্ৰতি ৰহস্যৰ আৱৰ্তত আৰু কোনে কি কাৰণত কিয় হত্যা কৰিলে বা কেনেদৰে লোকদুজন হত্যাৰ বলি হ'ল সেয়া অদ্যপি পোহৰলৈ অহা নাই। ইপিনে মহম্মদ বাদশ্বাহ শ্বেখৰ পুত্ৰ চবিয়েৰ শ্বেখে সংবাদ মাধ্যমৰ আগত সদৰি কৰা মতে তেওঁৰ দেউতা শাক-পাচলিৰ বেপাৰ কৰিছিল আৰু গাঁৱে-গাঁৱে গৈ শাক-পাচলিৰ বিক্ৰী কৰিছিল। কোনে কি কাৰণত তেওঁৰ দেউতাক হত্যা কৰিলে সেয়া তেওঁৰ বোধগম্য নহয় বুলি উল্লেখ কৰি পেটত দেগাৰ মাৰি তেওঁৰ দেউতাকক হত্যা কৰা বুলি মন্তব্য কৰিছে চবিয়েৰ শ্বেখে। আনহাতে ধুবুৰীৰ আক্ৰাছুৰ শিক্ষা সম্পাদক দিপুল চন্দ্ৰ ৰায়ে কয় যে শান্তিপূৰ্ণ ঠাইত এনে অনাকংক্ষিত ঘটনা নিত্যান্তই দুৰ্ভাগ্যজনক আৰু গৰিহণাৰ যোগ্য বুলি মন্তব্য কৰি অসম আৰক্ষীৰ প্ৰতি আস্থা আছে বুলি উল্লেখ কৰি দোষীক অতি সোনকালে কৰায়ত্ব কৰি কঠোৰ শাস্তি বিহিবলৈ দাবী উত্থাপন কৰিছে। দুয়োটা ঘটনা এক কিলোমিটাৰৰ ভিতৰত সম্পন্ন হোৱা আৰু দুয়োজনকে দেহৰ একে স্থানত চোকা অস্ত্ৰৰে আঘাত কৰি হত্যা কৰা ঘটনালৈ চাই ঘাতক একেজনেই বুলি সন্দেহ কৰা হৈছে। প্ৰদীপ কুমাৰ বসুমতাৰী গাহৰি ব্যৱসায়ী আছিল আৰু অঞ্চলটোত অতি জনপ্ৰিয় আছিল বুলি জানিব পৰা গৈছে। ঘটনাটোত তৃতীয়পক্ষ জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে ধুবুৰীৰ আক্ৰাছুৰ শিক্ষা সম্পাদক দিপুল চন্দ্ৰ ৰায়ে।

ইপিনে কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) পৃথ্বীৰাজ ৰাজখোৱাই সদৰি কৰা মতে দুয়োটা মৃতদেহ এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পোৱা গৈছে আৰু একেজনৰ দ্বাৰাই ঘটনাটো সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। ঘটনাটোৰ তদন্ত অব্যাহত আছে আৰু অতি সোনকালেই সমগ্ৰ ঘটনা পোহৰলৈ আহিব বুলি আশা প্ৰকাশ কৰিছে অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) পৃথ্বীৰাজ ৰাজখোৱাই।

# ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণক বৃহৎ সকাহ

**ৰাঁচী, ৩ ফেব্ৰুৱাৰীঃ** তিনিটা দিন ন্যায়িক জিম্মাত পাৰ কৰা ঝাৰখাণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণক বৃহৎ সকাহ প্ৰদান কৰিছে এখন আদালতে৷ বিশেষ অবৈধ ধন ৰপ্তানী প্ৰতিৰোধ আইন (পিএমএলএ) আদালতত কৰা বিশেষ আৱেদন গ্ৰহণ কৰি বিশেষ অনুমতি প্ৰদান কৰিছে৷ ন্যায়িক জিম্মাত কাৰাগাৰত থকাৰ সময়ত বিধানসভাৰ মজিয়াত উপস্থিত হ'বলৈ অনুমতি প্ৰদান কৰিছে আদালতে৷ ৰাঁচীৰ বিশেষ আদালতে ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণক ৫ ফেব্ৰুৱাৰীত বিধানসভাত অনুষ্ঠিত হ'বলগীয়া আস্থা ভোটত অংশগ্ৰহণ কৰিবলৈ অনুমতি দিছে। ৩১ জানুৱাৰীত প্ৰৱৰ্তন সঞ্চালকালয়ে (ইডি) ধন ৰপ্তানিৰ গোচৰত গ্ৰেপ্তাৰ কৰিছিল হেমন্ত ছোৰেণক৷ উক্ত দিনাই মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিছিল৷ তাৰ পাছৰে পৰা ৫ দিনৰ বাবে ন্যায়িক জিম্মাত আছে ছোৰেণ৷ ০২ ফেব্ৰুৱাৰীত হেমন্তে চম্পাই ছোৰেণে মুখ্যমন্ত্ৰী ৰূপে শপত লয়৷ ৫ ফেব্ৰুৱাৰীত বিধানসভাৰ মজিয়াত অনুষ্ঠিত হ'ব আস্থা ভোট৷ আস্থা ভোটত উপস্থিত থাকি ভোট প্ৰদানৰ অনুমতি বিচাৰি অবৈধ ধন ৰপ্তানী প্ৰতিৰোধ আইন (পিএমএলএ) আদালতত আবেদন দাখিল কৰিছিল। আদালতে হেমন্ত ছোৰেণক বিধানসভাৰ মজিয়াত উপস্থিত থাকিবলৈ অনুমতি প্ৰদান কৰিছে৷ ৫ ফেব্ৰুৱাৰীত পুৱা ১১ বজাত অনুষ্ঠিত হ'বলগীয়া আস্থা ভোটৰ কাৰ্যক্ৰমত অংশগ্ৰহণ কৰিব৷ আদালতত যুক্তি দি বিশেষ অধিৱেশনত উপস্থিত থকাৰ অধিকাৰ আছে বুলি দাবী কৰিছিল হেমন্ত ছোৰেণে৷ আবেদনখনত কোৱা হৈছে যে চম্পাই ছোৰেণ নেতৃত্বাধীন চৰকাৰে সদনত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিবলৈ ৫ ফেব্ৰুৱাৰীত আস্থা ভোট বিচাৰিব। হেমন্ত ছোৰেণক গ্ৰেপ্তাৰৰ পিছত চম্পায়ে মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছে। অধিবক্তা জেনেৰেল ৰাজীৱ ৰঞ্জনে কয় যে ইডিয়ে আবেদনত তীব্ৰ আপত্তি কৰিছিল। আমি কৈছিলো যে এই কথা উন্মোচিত হৈছে যে ইডিৰ উদ্দেশ্য কোনো তদন্ত কৰা নহয়৷ নতুন চৰকাৰ গঠনত বাধা দিয়া বা চৰকাৰ খন পতন কৰাহে৷ হেমন্ত ছোৰেণে তদন্তত হস্তক্ষেপ নকৰে৷ সদনৰ কাৰ্যক্ৰমত উপস্থিত থকাত আপত্তি কৰাৰ কোনো অৰ্থ নাই। আদালতে আমাৰ আবেদনৰ অনুমতি দিছে।

# কৰ্মীসভাত আকৌ হাগ্ৰামাৰ দিন আহিব বুলি দাবী প্ৰমিলাৰাণীৰ

**ই-সংবাদ, কোকৰাঝাৰ, ৩ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই ৰাজনৈতিক দল সমুহৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। সেইসূত্ৰে কোকৰাঝাৰ সদৰ চহৰৰ নাতিদূৰৈৰ জানাগাঁৱত আজি বিপিএফৰ কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত বিশাল কৰ্মী সভা অনুষ্ঠিত হয়। বিপিএফৰ ছটা ব্লকৰ পৰা কেইবা সহস্ৰাধিক নেতা-কৰ্মীয়ে উক্ত কৰ্মীসভাত অংশগ্ৰহণ কৰে। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পন অনুষ্ঠান অনুষ্ঠিত হয়। তদুপৰি বিপিএফ দলৰ মঙ্গল কামনা আৰু শান্তিৰ বাবে সৰ্বধৰ্ম প্ৰাৰ্থনাও অনুষ্ঠিত হয়। ইপিনে লোকে লোকাৰণ্য হোৱা সভাখনত বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কয় যে কোকৰাঝাৰ আৰু দৰং-ওদালগুৰী লোকসভা সমষ্টিত বিপিএফ দলে নিশ্চিতভাৱে প্ৰাৰ্থীত্ব প্ৰদান কৰিব। অহা মাৰ্চ মাহত বিপিএফ দলে প্ৰাৰ্থী ঘোষণা কৰিব বুলি মন্তব্য কৰিছে হাগ্ৰামা মহিলাৰীয়ে। নিজ ভাষণত ইউপিপিএল দলক কঠোৰ সমালোচনা কৰি হাগ্ৰামা মহিলাৰীয়ে কয় যে প্ৰকৃততে ইউপিপিএল দলে একোৱেই কৰিব পৰা নাই। চাকৰি দিয়াৰ যি ক্ষমতা সেয়া দিছপুৰে লৈ গৈছে। আমি চৰকাৰ গঠন কৰিলে ৪০ টা বিভাগত খালি হোৱা পদত নিযুক্তি প্ৰদান কৰিম আৰু সেয়া জিলাভিত্তিক হ'ব। কোকৰাঝাৰৰ জিলাৰ লৰা-ছোৱালী কোকৰাঝাৰত আৰু চিৰাং জিলাৰ ল'ৰা-ছোৱালীয়ে চিৰাং জিলাত চাকৰি পাব। প্ৰমোদ বড়োৱে একো কৰিব পৰা নাই মাথো কোকৰাঝাৰ আৰু কাৰিগাঁৱৰ মাজত স্পীড ব্ৰেকাৰ বনাইছে বুলি কটাক্ষ কৰিছে হাগ্ৰামা মহিলাৰীয়ে। বিপিএফৰ মিটিংত যোগদান কৰিলে প্ৰধানমন্ত্ৰী আৱাস যোজনা, অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত কৰা হ'ব বুলি ইউপিপিএলে ভোটাৰ ৰাইজক ভয় দেখুৱাই আছে বুলি মন্তব্য কৰিছে হাগ্ৰামা মহিলাৰীয়ে। ঘৰে ঘৰে নাঙল, ঘৰে ঘৰে বিপিএফ বুলি মন্তব্য কৰি হাগ্ৰামা মহিলাৰীয়ে শান্তি, একতা আৰু উন্নয়নৰ ইচ্ছু লৈ নিৰ্বাচনী প্ৰচাৰ চলাব বিপিএফে আৰু দুয়োটা সমষ্টিতে বিজয়ী হৈ কেন্দ্ৰত এগৰাকী মন্ত্ৰী পদ লাভ কৰিব বিপিএফে। উল্লেখ্য যে আজিৰ বিপিএফৰ কৰ্মীসভাত প্ৰাক্তন মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, বিটিচিৰ প্ৰাক্তন উপমুখ্য কাৰ্যবাহী খাম্পা বৰগয়াৰী, বিপিএফৰ জেষ্ঠ্য নেতা দেৱহাছাৎ বসুমতাৰী আদিকে ধৰি প্ৰায় সংখ্যক নেতা -কৰ্মীয়ে উপস্থিত আছিল। ইপিনে বিটিচিৰ প্ৰাক্তন উপমুখ্য কাৰ্যবাহী খাম্পা বৰগয়াৰীয়ে সংবাদ মাধ্যমৰ আগত বিটিচি বচাবৰ বাবে, বিটিচিৰ ভৱিষ্যত নিৰ্মানৰ বাবে বিপিএফে ৰাইজৰ পৰা সহায়-সমৰ্থন বিচাৰিছে বুলি মন্তব্য কৰিছে খাম্পা বৰগয়াৰীয়ে। নিৰ্বাচনত অনিয়ম নকৰিলে বিপিএফে জিকাটো খাটাং বুলি প্ৰাক্তন মন্ত্ৰী প্ৰমিলাৰাণী ব্ৰহ্মই মন্তব্য কৰিছে।

# সামাজিক মাধ্যমত জনমত, অৱশেষত পশ্চিমবংগৰ পৰা গ্ৰেপ্তাৰ হ'ল প্ৰৱঞ্চক মানস চলিহা

**ই-সংবাদ, ৩ ফেব্ৰুৱাৰীঃ** সামাজিক মাধ্যমত ব্যাপক জনমত গঠন হোৱাৰ পাছতে গ্ৰেপ্তাৰ হ'ল প্ৰৱঞ্চক বুলি অভিযোগ উত্থাপিত মানস চলিহা৷ অসমৰ পৰা পলায়ন কৰি পশ্চিমবংগত বাহৰ পাতি থকা মানস চলিহাক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে৷ অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ তৎপৰতা নেদেখুওৱা বুলি অভিযোগ উত্থাপনৰ মাজতে নাটকীয়ভাবে পশ্চিমবংগত গ্ৰেপ্তাৰ হয় মানস চলিহা৷ পশ্চিমবংগ আৰক্ষীয়ে শীঘ্ৰে অসম আৰক্ষীক হস্তান্তৰ কৰা বুলি জানিব পৰা গৈছে৷ জানিব পৰা মতে, অসমৰ নেটিজেনে মানস চলিহাৰ বিৰুদ্ধে বহু অভিযোগ উত্থাপন কৰিছিল৷ বহু লোকক প্ৰৱঞ্চনা কৰাৰ লগতে আলফা স্বাধীনৰ শিবিৰত বন্দী মানস বৰগোহাঁইক প্ৰৱঞ্চনা কৰি আলফা স্বাধীনলৈ প্ৰেৰণ কৰাৰ অভিযোগ উত্থাপন হৈছিল৷ যাৰ ফলত পশ্চিমবংগৰ এখন হোটেলত বাহৰ পাতি আছিল মানস চলিহা৷ পশ্চিমবংগত আত্মগোপন কৰি থকা অৱস্থাতে পশ্চিমবংগ আৰক্ষীৰ সহায়ত অসম আৰক্ষীয়ে মানস চলিহাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে৷ গুপ্তচৰ হোৱাৰ সন্দেহত আলফা স্বাধীনৰ শিবিৰত ধৰা পৰা মানস বৰগোঁহায়ে মানস চলিহাৰ বিৰুদ্ধে কেইবাটাও বিস্ফোৰণ ঘটাইছিল৷ অসম আৰক্ষীৰ নাম লৈ যুৱক-যুৱতীক আলফাৰ শিবিৰলৈ চোৰাংচোৱা কৰিবলৈ প্ৰেৰণ কৰিছিল৷ ইয়াৰে ভিতৰত আছিল মানস বৰগোহাঁই নামৰ যুৱকজন৷ যিজন মানস বৰগোহাঁই ম্যানমাৰস্থিত আলফা স্বাধীনৰ শিবিৰত বন্দীত্বৰ দিন কটাইছে৷ বেলতলাৰ অজন্তা পথৰ ৰয়েল এনক্লেভত মানস বৰগোঁহাইৰ লগতে কেইবাগৰাকী যুৱক-যুৱতীক প্ৰশিক্ষণ দিছিল মানস চলিহাই৷ নিজকে অসম আৰক্ষীৰ বিশেষ শাখাৰ মুৰব্বী বুলি চিনাকী দিছিল৷ ২০২৩ চনতে দিছপুৰ আৰক্ষী আৰক্ষী থানাত মানস চলিহাৰ বিৰুদ্ধে গোচৰ ৰুজু হৈ আছিল

যদিও আৰক্ষীয়ে গুৰুত্ব প্ৰদান কৰা নাছিল৷ আলফা স্বাধীনৰ ম্যানমাৰস্থিত শিবিৰত বন্দী মানস বৰগোহাঁইৰ তিনিটা ভিডিঅ' মুকলি কৰিছিল আলফা স্বাধীনে৷ আলফা স্বাধীনৰ নেতাক আকৰ্ষিত কৰিবলৈ মানস চলিহাই যুৱতীক যৌন শিক্ষা দিয়াৰ অভিযোগ উত্থাপন কৰিছিল মানস বৰগোহাঁয়ে৷ যৌনতাৰ দ্বাৰা আলফা স্বাধীনৰ নেতাক কেনেদৰে আকৰ্ষিত কৰিব পাৰি সেই প্ৰশিক্ষণ দিছিল মানস চলিহাই৷ আনহাতে মানস চলিহাই মানস বৰগোহাঁইক চিনি নাপাও, ভিডিঅ'তহে প্ৰথমবাৰ দেখিছো বুলি অভিযোগ উত্থাপন কৰিছিল৷ এই মন্তব্যৰ প্ৰত্যুত্তৰ দি মানস চলিহাই গোকাট মিছা কথা কোৱা বুলি কয় মানস বৰগোহাঁয়ে৷ মানস বৰগোহাঁয়ে মানস চলিহাৰ প্ৰেমিকা আৰু মোৰ প্ৰেমিকা সৰুৰে পৰা বান্ধৱী বুলি কৈ সেই সূত্ৰে মানস চলিহাক চিনি পাও বুলি কৈছিল। মানস চলিহা বিশেষ শাখাৰ জনেল হেড হিচাপে সমগ্ৰ অপাৰেচনক তদাৰক কৰাৰ অভিযোগ উত্থাপন কৰি মানস বৰগোহাঁয়ে আৰু কৈছিল যে যুৱক-যুৱতীৰ প্ৰশিক্ষণৰ তদাৰক কৰিছিল মানস চলিহাই। মানস চলিহাই বহু নিবনুৱাক চাকৰিৰ টোপ দিছিল। চোৰাংচোৱা কৰিবলৈ যোৱাৰ অপৰাধত ম্যানমাৰৰ শিবিৰত বন্দী মানস বৰগোহাঁইক লৈ সামাজিক মাধ্যমত ব্যাপক আলোচনা হয়৷ মানস বৰগোহাঁইৰ জীৱন ৰক্ষা কৰি সুস্থ শৰীৰে উভতাই আনিবলৈ বহু নেটিজেনে সামাজিক মাধ্যমত এখন যুদ্ধ আৰম্ভ কৰা পৰিলক্ষিত হৈছে৷ মানস বৰগোহাঁই নামৰ যুৱকজনক উভতাই পঠিয়াই ক্ষমা কৰি দিবলৈ সামাজিক মাধ্যমযোগে পৰেশ বৰুৱাক কাতৰ আহ্বান জনাই নেটিজেনে৷ তাৰ পাছতে যেন দৃশ্যপট সলনি হয়৷ আলফা স্বাধীনৰ মুৰব্বী পৰেশ বৰুৱাই মানস বৰগোহাঁইৰ পিতৃ দেৱেন বৰগোহাঁইৰ সৈতে ফোনযোগে বাৰ্তালাপ কৰে৷ মানস বৰগোহাঁইক কোনো ধৰণে ক্ষতি কৰা নহয় বুলি পিতৃক নিশ্চিতি

প্ৰদান কৰিছে আলফা স্বাধীনৰ মুৰব্বী পৰেশ বৰুৱাই। মানস চলিহাই অসম আৰক্ষীৰ নাম লৈ প্ৰৱঞ্চনা কৰি মানস বৰগোহাঁইক আলফাৰ শিবিৰলৈ প্ৰেৰণ কৰাৰ অভিযোগ উঠিছিল৷ মানস বৰগোহাঁয়ে বাৰে বাৰে অসম আৰক্ষীয়ে তেওঁক বিশেষ শাখাত উপ-পৰিদৰ্শক হিচাপে নিয়োগ কৰাৰ দাবী উত্থাপন কৰি আছে৷ এই ক্ষেত্ৰত বেলতলাৰ অজন্তা পথৰ ৰয়েল এনক্লেভৰ কথা উল্লেখ কৰিছে৷ মানস চলিহা, তৃষ্ণা সন্দিকৈ নামৰ দুজন লোকৰো কথা বাৰে বাৰে উল্লেখ কৰিছে মানস বৰগোহাঁয়ে৷ মানস চলিহাৰ নাম খুব চৰ্চা হোৱাত বিভিন্নজনে প্ৰৱঞ্চক বুলি ক'বলৈ আৰম্ভ কৰে৷ বিশেষকৈ ছবি প্ৰযোজক লুইত কুমাৰ বৰ্মনে কেইবাটাও পোষ্ট দি মানস বৰগোহাঁইক প্ৰৱঞ্চনাৰ বলি হোৱাৰ সন্দেহ কৰিছিল৷ এটা পোষ্ট দি বৰ্মনে এই ক্ষেত্ৰত অসম আৰক্ষীৰ একো ভুল নাই বুলি উল্লেখ কৰিছে৷ লগতে আলফাৰ শিবিৰত বন্দী মানস বৰগোহাঁইৰো একো ভুল নাই বুলি দাবী কৰিছে৷ বৰ্মনে কয় 'চবচে ফ্ৰড মানস চলিহা। অ'ৰ্গেনিক মাজুলী নামৰ সংস্থাৰ নামত বহুত টকা খালে। বোধকৰো মানস বৰগোহাঁইৰ পৰা চাকৰিৰ নামত টকা খালে। চাকৰি দিব নোৱাৰি বৰগোহাইক আণ্ডাৰকভাৰ এজেণ্ট বনাই পঠাই দিলে। ইপিনে এইগৰাকী মানস চলিহাই প্ৰদীপ কুমাৰ মেধি নামৰ লোকজনৰ পৰা ব্যৱসায়ৰ নামত প্ৰায় ৯ লাখ টকা লৈ প্ৰৱঞ্চনা কৰাৰ অভিযোগ উঠিছে৷ আলুৰ ব্যৱসায়ৰ প্ৰলোভন দি মানস চলিহাই ৮.৫ লাখ সংগ্ৰহ কৰে। তাৰ পিছত বেপাৰো নাই, টকাও নাই। এবাৰ মানস চলিহাৰ ঘৰত টকা বিচৰা যাওতে ভুক্তভোগী প্ৰদীপ কুমাৰ মেধিক গাওঁবুঢ়া লগাই খেদিছিল বুলিও অভিযোগ আছে। প্ৰদীপ কুমাৰ মেধিৰ সৈতে মানস চলিহাৰ আছিল ফেচবুকৰ চিনাকি।

# শেষ পৃষ্ঠা

## দৃঢ় অসম

**কানপুৰ, ৩ ফেব্ৰুৱাৰীঃ** দুজনকৈ বেটাৰৰ দ্বিশতকৰ সহায়ত ঘৰুৱা দল উত্তৰ প্ৰদেশে ৰঞ্জি ট্ৰফিত অসমৰ বিৰুদ্ধে ৫৪৮ ৰানৰ বৃহৎ স্ক'ৰ কৰিবলৈ সক্ষম হৈছে। কালিৰ ৮০ অভাৰত ৩১৩ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি আজি ১২৮.৩ অভাৰত আঠ উইকেট হেৰুৱাই ইনিংছ ঘোষণা কৰে উত্তৰ প্ৰদেশে। কালিৰ অপৰাজিত বেটছমেনদ্বয় আৰিয়ান জুৱেল (২০১) আৰু কৰণ শৰ্মা (২০৮) উভয়ে দ্বিশতক অৰ্জন কৰে। তেওঁলোক দুজনৰ উপৰিও আকাশদ্বীপ নাথৰ বেটৰ পৰা আহে ৫৩ ৰান। অসমৰ হৈ মৃণ্ময় দত্তই চাৰিটা আৰু ৰাহুল সিঙে দখল কৰে তিনিটা উইকেট। ইয়াৰ প্ৰত্যুত্তৰত ইনিংছ আৰম্ভ কৰি কোনো উইকেট নেহেৰুৱাকৈ অসমে ৩৯ অভাৰত সংগ্ৰহ কৰিছে ১১৬ ৰান। দিনান্তত পাৰভেজ মুছাৰফে ৫৩ আৰু ৰাহুলে ৫১ ৰান কৰি ক্ৰিজত আছে।

## শক্তিশালী স্থিতিত ভাৰত

**বিশাখাপত্তনম, ৩ ফেব্ৰুৱাৰীঃ** যশস্বী জয়চোৱালৰ দ্বিশতক আৰু যশপ্ৰীত বুমৰাহৰ ছয় উইকেটৰ সহায়ত ইংলেণ্ডৰ বিৰুদ্ধে খেলা দ্বিতীয় টেষ্টৰ প্ৰথম ইনিংছত গুৰুত্বপূৰ্ণ ১৪৩ ৰানৰ অগ্ৰগতি ল'বলৈ সক্ষম হৈছে টিম ইণ্ডিয়াই। ভাৰতৰ ৩৯৬ ৰানৰ উত্তৰত আলহী দলটোৱে ২৫৩ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতৰ বেটিঙত মুখ্য বৰঙণি যোগাই ২০৯ ৰান কৰে যশস্বী জয়চোৱালে। টিম ইণ্ডিয়াই ১১৩ অভাৰত ৩৯৬ ৰান কৰে। ইয়াৰ পিছত ইনিংছ আৰম্ভ কৰি জেক ক্ৰাউলীৰ ৭৬ আৰু অধিনায়ক বেন ষ্ট'কছৰ ৪৭ ৰানৰ সহায়ত ইংলেণ্ডে ৫৫.৫ অভিৰত সংগ্ৰহ কৰে ২৫৩ ৰান। বলিঙত টিম ইণ্ডিয়াৰ হৈ যশপ্ৰীত বুমৰাহে ৪৫ ৰানত ছয়টা আৰু কুলদীপ যাদৱে ৭১ ৰানত তিনিটা উইকেট দখল কৰে। দ্বিতীয় দিনা শেষৰ ফালে দ্বিতীয় ইনিংছ আৰম্ভ কৰি পাঁচ অভাৰত কোনো উইকেট নেহেৰুৱাকৈ ২৮ ৰান সংগ্ৰহ কৰিছে ভাৰতে। যশস্বী জয়চোৱালে ১৫ আৰু অধিনায়ক ৰোহিত শৰ্মাই ১৩ ৰান কৰি ক্ৰিজত আছে। এই মুহূৰ্তত ভাৰতে ১৭১ ৰানৰ অগ্ৰগতি ল'বলৈ সমৰ্থ হৈছে।



■ গুৱাহাটী বিমান বন্দৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰণি সত্ৰীয়া নৃত্যৰ শিল্পীৰ

# শুকুৰবাৰে মৃত্যু হোৱা অভিনেত্ৰীয়ে মাত লগালে শনিবাৰে

**অনলাইন ফিচাৰ্ছ, ২ ফেব্ৰুৱাৰী:** অমাৰ্জিত পোছাক, কথাৰে সদা বিতৰ্কত থকা মডেল তথা অভিনেত্ৰীৰ অপ্ৰত্যাশিত কাৰু-কাৰ্যই হতচকিত কৰিছে দেশৰ লোকক৷ এদিন পূৰ্বে মৃত্যুৰ খবৰ ৰাষ্ট্ৰ হৈছিল৷ তাৰ পাছতে খোদ সামাজিক মাধ্যমত পোষ্ট দি অভিনেত্ৰীয়ে ক'লে 'মোৰ মৃত্যু হোৱা নাই৷' অভিনেত্ৰী তথা মডেলগৰাকী হৈছে পুনম পাণ্ডে৷ বলিউদত অভিনয়ৰ বাবে নহয়, আশালীন মন্তব্য আৰু পোছাকৰ বাবে বিতৰ্কত থকা পুনম পাণ্ডেৰ ভগ্নীয়ে শুকুৰবাৰে পুনম পাণ্ডেৰ মৃত্যুৰ খবৰ নিশ্চিত কৰিছিল। কৰ্কট ৰোগত মৃত্যু হোৱাৰ দাবী কৰিছিল৷ তাৰ পাছৰে পৰা পুনম পাণ্ডেৰ লগতে পৰিয়াল লেকাসকলে মোবাইল বন্ধ কৰে৷ এই খবৰে দেশৰ প্ৰতিটো সংবাদ প্ৰতিষ্ঠানত প্ৰকাশিত হয়.৷ বলিউদৰ পৰিচালক, প্ৰযোজক, অভিনেতা-অভিনেত্ৰীয়ে শোক প্ৰকাশ কৰে৷ পুনম পাণ্ডেৰ মৃত্যুৰ খবৰ বিয়পি পৰাত বোলছবি প্ৰেমীয়েও শোক প্ৰকাশ কৰে। কিন্তু শুকুৰবাৰে মৃত্যু হোৱা অভিনেত্ৰীগৰাকী শনিবাৰে জিন্দা হৈ উঠিল৷ শনিবাৰে সামাজিক মাধ্যমত ভিডিঅ' শ্বেয়াৰ কৰি পুনমে ক'লে 'মই জীয়াই আছো৷' এই ভিডিঅ' প্ৰচাৰ হোৱাৰ পাছতে বহু লোক নাৰাজ হৈ পৰে৷ এনে ধেমালি কৰাৰ বাবে বিভিন্ন লোকে পুনমক অশ্লীল ভাষাৰে গালি-গালাজ পাৰে৷ কৰ্কটৰ দৰে ৰোগক লৈ ধেমালি কৰাত মডেল তথা অভিনেত্ৰীগৰাকীক কুকুৰে কাইট নোখোৱাকৈ গালি দিছে বিভিন্ন লোকে৷ পুনম পাণ্ডেয়ে কয় যে জৰায়ুৰ কৰ্কট ৰোগৰ বিষয়ে বিশেষ সজাগতা নাই। এই বিষয়ে সকলোকে অধিক সচেতন কৰিবলৈ মৃত্যুৰ খবৰ বিয়পাই দিয়া বুলি স্পষ্টিকৰণ দিয়ে। কিন্তু পুনমক অনুৰাগীয়ে অশ্লীল ভাষাৰে গালি দিয়া পৰিলক্ষিত হৈছে৷

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান